# অন্বেষণ

প্ৰথম বছৰ ▪ চতুৰ্থ সংখ্যা ▪ মে', ২০১৪



- সাধাৰণ নিৰ্বাচন, ২০১৪
- গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুইজ
- প্ৰকৃতি সুৰক্ষাত বিশ্নয় সকল

আমাৰ বিশ্ব ব্ৰহ্মাণ্ড কেনেকৈ সৃষ্টি হৈছিল







কিল্লা-ই-মোবাৰক





চন্দ্ৰৰ বুকুত পৃথিৱীবাসীৰ প্ৰথম পতাকা, প্ৰসংগ পৃষ্ঠা ২৩



ৰাইট ভাতৃদ্বয়ৰ উৰাজাহাজ, প্ৰসংগ পৃষ্ঠা ২৩



কৃত্ৰিম উপগ্ৰহৰ উৎক্ষেপণ, প্ৰসংগ পৃষ্ঠা ২০



আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জৰ উপকূল, প্ৰসংগ পৃষ্ঠা ২৪

# অন্বেষণ

প্ৰথম বছৰ, চতুৰ্থ সংখ্যা, মে', ২০১৪ চন

## সূচীপত্ৰ

২ বিশেষ নিবন্ধ : প্ৰকৃতি সুৰক্ষাত বিস্ময়সকল
■ বিনয় মোহন শইকীয়া
৩ দেশ-বিদেশৰ খবৰ
■ সংগ্ৰহ : কুশল গোস্বামী
৭ খবৰৰ লেচেৰি বোটলা
■ সংগ্ৰহ : জয়ন্ত ডেকা
৮ সাহিত্য : কিম্বদন্তী সাহিত্যিক মাৰ্কুইজ
■ লিপিমণি দত্ত
৯ ভাৰতত সংঘটিত কেইটামান উল্লেখযোগ্য ঘূৰ্ণীবতাহ
■ মৃদুলা ডেকা
১০ মানসিক সামৰ্থ্য বিকাশ : বৰ্ণ ক্ৰমাংক সম্পৰ্কীয় সমস্যা
■ ঘনশ্যাম মেধি
১২ বিজ্ঞান বাৰ্তা : আমাৰ বিশ্বব্ৰহ্মাণ্ড কেনেকৈ সৃষ্টি হৈছিল ?—এক নতুন আৱিষ্কাৰ
■ অভিজিত শৰ্মা বৰুৱা
১৫ কুইজ
■ ধ্ৰুৱ শৰ্মা
১৬ চুড'কু
১৭ ক্ৰীড়াংগন : বিশ্বৰ কেইখনমান বিখ্যাত ফুটবল প্ৰতিযোগিতা
■ পলাশ কুমাৰ নাথ
১৮ টি-টুৱেণ্টি ৱৰ্ল্ড কাপ-২০১৪
■ ভবেশ্বৰ গোস্বামী
১৯ দা ভেনিটি ফেয়াৰ
■ নিশা দেৱী
২০ বিশেষ নিবন্ধ : কৃত্ৰিম উপগ্ৰহ
■ স্বপ্নালী শইকীয়া
২২ দেশৰ পৰিচয় : ডেনমাৰ্ক
■ গোপেন বৰ্মন
২৩ সাধাৰণ জ্ঞানৰ সঁফুৰা
২৫ ইতিহাস প্ৰসিদ্ধ কিল্লা-ই-মোবাৰক বা লালকিল্লা
■ চন্দনা মেধি
২৮ আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জৰ কেইটামান আদিম জনগোষ্ঠী
■ মানসী বৰুৱা
৩০ প্ৰকৃতি : এপ্ আৰু বান্দৰ
■ বনানী ডেকা
৩১ অৰ্থনীতি : ভাৰতীয় ৰিজাৰ্ভ বেংক
■ অপৰ্ণা দেৱী
৩২ সঘনাই মনলৈ অহা প্ৰশ্ন

সহযোগী সম্পাদক : পংকজ দত্ত
উপ-সম্পাদক : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত
ব্যৱস্থাপনা : দিলীপ কুমাৰ দত্ত চৌধুৰী
মূল্য : বিছ টকা
অংগসজ্জা আৰু বেটুপাত : কুঞ্জৰ দাস
ডিটিপি : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডাঃ নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# প্ৰকৃতি সুৰক্ষাত বিশ্নয়সকল

■ বিনয় মোহন শইকীয়া

হিন্দু ধৰ্মৰ মাজৰে এটা ধৰ্মীয় সম্প্ৰদায় হৈছে বিশ্নয়। ১৪৯৫ চনত মহাপুৰুষ গুৰু জম্ভেশ্বৰজীয়ে ৰাজস্থানৰ থৰ মৰুভূমিৰ অন্তৰ্গত ছামৰাথাল ধোৰা নামে ঠাইত বিশ্নয় মতৰ প্ৰচাৰ কৰে। একুৰি নটা (বিশ + নয় = বিশ্নয়) মূল নীতিৰ ওপৰত প্ৰতিষ্ঠিত এই ধৰ্মমতত সকলো ধৰ্মৰ মানুহৰ সৈতে প্ৰেম আৰু সমিলমিলেৰে সহাৱস্থান কৰাৰ লগতে প্ৰকৃতিকো একে দৃষ্টিৰে চাবলৈ শিক্ষা দিয়া হয়। বিশ্নয় মতত প্ৰকৃতি-প্ৰেম এটা অতি উল্লেখযোগ্য বৈশিষ্ট্য।

গুৰু জম্ভেশ্বৰজীৰ উপদেশ পৰম আন্তৰিকতাৰে পালন কৰি বিশ্নয়সকলে থৰ মৰুভূমিত বৰ্তি থকা গছ-গছনি আৰু প্ৰাণীৰ সৈতে একাত্মভাৱে বাস কৰাৰ লগতে সেইবোৰক সুৰক্ষা দিয়াৰ কামতো জীৱনপণ কৰি আছে। বিশ্নয়সকলৰ ইতিহাসত গছ-গছনি আৰু জীৱ-জন্তুক সুৰক্ষা প্ৰদান কৰিবলৈ গৈ অসংখ্য লোকে প্ৰাণ আহুতি দিয়াৰ অনেক উদাহৰণ আছে। তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য উদাহৰণটো হৈছে ১৭৩০ চনত সংঘটিত এটা অত্যন্ত দুখজনক ঘটনা, যাক 'খেজাৰলি গণহত্যা' বুলি জনা যায়। খেজাৰলি হৈছে ৰাজস্থানৰ জোধপুৰ জিলাৰ অন্তৰ্গত এখন সৰু ঠাই। এই ঘটনা সংঘটিত হোৱা সময়ত ঠাইখন তেতিয়াৰ মাৰৱাৰ প্ৰদেশৰ অন্তৰ্গত আছিল আৰু সেই সময়ত তাৰ শাসনকৰ্তা আছিল মহাৰাজা অভয় সিং। ৰজাৰ কাৰেংঘৰ সজাৰ কামত প্ৰয়োজন হোৱা বুলি ৰজাৰ সৈন্যই আহি খেজাৰলি গাঁৱৰ চৌপাশে থকা 'জাণ্টি' গছবোৰ (Prosopis Cineraria) কাটিবলৈ সাজু হ'ল। তেতিয়া সেই গাঁৱৰে এগৰাকী সাহসী মহিলা আগবাঢ়ি আহিল গছ কটাৰ কামত বাধা দিয়াৰ উদ্দেশ্যে। তেওঁৰ নাম অমৃতা দেৱী বিশ্নয়। গাঁৱৰ অন্য পুৰুষ-মহিলাসকলো অমৃতা দেৱীৰ সমৰ্থনত ওলাই আহিল আৰু গছবোৰক সাৱটি ধৰি ৰজাৰ সৈন্যক বাৰণ কৰিবলৈ চেষ্টা কৰিলে। স্বাভাৱিকতে তেওঁলোকৰ সেই বাধা ৰজাৰ সৈন্যৰ ক্ৰুৰতাৰ সন্মুখত নগণ্য আছিল; কিন্তু বিশ্নয়সকলো পিছ নুহুকিল। এক একৈকে আটায়ে ৰজাৰ সৈন্যৰ কুঠাৰৰ আগত ডিঙি পাতি দিলে। সেই ঘটনাত মুঠ ৩৬৩ জন বিশ্নয়ে জীৱন আহুতি দিলে। ৰাইজৰ প্ৰতিৰোধৰ আগত সেও মানি ৰজাই আদেশযোগে সেই গাঁৱত গছ কটাৰ আঁচনিখন বন্ধ কৰি দিলে। এনে উদাহৰণ পৃথিৱীৰ ইতিহাসতে বিৰল ঘটনা। এই ঘটনাৰ পাছত জাণ্টি গছবোৰক খেজাৰলি গাঁওখনৰ নাম অনুসৰি খেজৰি গছ বুলি জনা যায়। উল্লেখযোগ্য যে জাণ্টি বা খেজৰি গছক বৰ্তমান ৰাজস্থানৰ ৰাজ্যিক গছৰ মৰ্যদা দিয়া হৈছে।

বৰ্তমান সময়ৰ এগৰাকী বিখ্যাত পৰিৱেশ-কৰ্মী সুন্দৰলাল বহুগুণাই অমৃতা দেৱীৰ আদৰ্শ লৈ পৰিৱেশ সুৰক্ষাৰ বাবে আন্দোলন কৰি বেছ সফলতা লাভ কৰে। বহুগুণাৰ এই আন্দোলনক 'চিপকো আন্দোলন' বুলি জনা যায়। 'চিপকো' শব্দৰ অৰ্থ সাৱটা। চৰকাৰী ঠিকাদাৰে যেতিয়া হিমালয়ৰ পাদদেশত গছ কাটিবলৈ আহে চিপকো আন্দোলনৰ কৰ্মীসকলে, বিশেষকৈ মহিলাসকলে গছবোৰক সাৱটি ধৰি সেই কাৰ্যত বাধা দিয়ে। এই আন্দোলন সম্পৰ্কে খুব কম মানুহৰে জ্ঞাত। অৱশ্যে সুন্দৰলাল বহুগুণাই অমৃতা দেৱীৰপৰা এই ধাৰণা আৰু অনুপ্ৰেৰণা লাভ কৰাৰ কথা অকপটে স্বীকাৰ কৰিছে।

বিশ্নয়সকলে প্ৰকৃতি সুৰক্ষাৰ বাবে জীৱন আহুতি দিয়াৰ উদাহৰণ অকল ইতিহাসতে সীমাৱদ্ধ হৈ থকা নাই। ১৯৯৬ চনত নিহাল সিং বিশ্নয় নামৰ এগৰাকী ব্যক্তিয়ে চিকাৰীৰ হাতৰপৰা এটা বনৰীয়া কৃষ্ণষাঁড় পহু ৰক্ষা কৰিবলৈ গৈ নিজৰ জীৱন আহুতি দিছিল। উল্লেখযোগ্য যে তেওঁৰ জীৱন-কাহিনীক লৈ নিৰ্মাণ কৰা 'উইলিং টু ছেক্ৰিফাইচ' (Willing to Sacrifice) নামৰ চলচ্চিত্ৰখনে ৫ম আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ (১৯৯৯ চন), বাটিশ্লাভা, শ্লভেকিয়াত শ্ৰেষ্ঠ পৰিৱেশ বঁটা লাভ কৰি বিশ্নয়সকলৰ এই মহান প্ৰচেষ্টাক পুনৰ বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিবলৈ সক্ষম হয়।

## দেৱজিৎ চাংমাইলৈ 'আইফা এৱাৰ্ড'



'প্যাৰ কা ছাইড এফেক্ট' চিনেমাত ছাউণ্ড মিক্সিঙৰ কামেৰে বলীউডত এক সফল যাত্ৰা আৰম্ভ কৰা অসম সন্তান দেৱজিৎ চাংমাই 'ভাগ মিলখা ভাগ' চলচ্চিত্ৰৰ বাবে একেৰাহে দ্বিতীয়বাৰলৈ কঢ়িয়াই আনে এক বিৰল সন্মান। যোৱা ২৪ এপ্ৰিল তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাত অনুষ্ঠিত এখন সভাত চাংমাইক এই ইণ্টাৰনেশ্বনেল ইণ্ডিয়ান ফিল্ম একাডেমী' বঁটা প্ৰদান কৰা হয়। মুম্বাই চলচ্চিত্ৰ উদ্যোগত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা অসম সন্তান দেৱজিতে ৰাকেশ ওম প্ৰকাশ মেহেৰা পৰিচালিত 'ভাগ মিলখা ভাগ' চিনেমাৰ ছাউণ্ড মিক্সিঙৰ বাবে এই শাখাত ২০১৪ বৰ্ষৰ সন্মানীয় আইফা বঁটা লাভ কৰিবলৈ সক্ষম হয়। অতি সংগ্ৰামেৰে মুম্বাইত থিতাপি লোৱা দেৱজিৎ চাংমাই হিন্দী, অসমীয়া তথা হলিউডকে ধৰি প্ৰায় ১০৫ খন চিনেমাত ছাউণ্ড মিক্সিঙৰ কাম কৰিছে। তেওঁ ২০১০ চনত 'ইস্কিয়া' ছবিখনৰ বাবে ভাৰতীয় চিনেমাৰ ৫৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল। তদুপৰি ২০১২ চনত তেওঁ নিজৰ দক্ষতাৰ স্বীকৃতি স্বৰূপে 'ধ্বনি' সন্মানো লাভ কৰিবলৈ সক্ষম হৈছিল। বিগত বছৰৰ আৰম্ভণিতে 'অষ্টম গীল্ড ষ্টাৰ অপ্সৰা' বঁটা লাভ কৰাৰ উপৰি অনুৰাগ বসুৰদ্বাৰা পৰিচালিত 'বৰফি' চিনেমাৰ ছাউণ্ড মিক্সিঙৰ বাবে তেওঁ ২০১৩ বৰ্ষৰ 'আইফা' বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ সম্পাদনা কৰা ছবি কেইখনমান হ'ল—'ডন-২', 'খাকী', 'ক্ৰিছ-থ্ৰী', 'হাইৰে, ৰেডী', 'ব'ডিগাৰ্ড', 'হলি ডে', 'দম', 'স্পেচিয়েল ২৬' আদি। ইয়াৰ উপৰি জাহ্নু বৰুৱা পৰিচালিত অসমীয়া ছবি 'বান্ধোন'কে ধৰি মীৰা নায়াৰৰ 'দ্য ৰিলাক্টেণ্ট ফাণ্ডামেণ্টেলিষ্ট' (The Reluctent Fundamentalist) ছবিতো কাম কৰাৰ সুযোগ লাভ কৰিছিল। শিৱসাগৰ নগৰৰ ঐতিহাসিক বেতবাৰী মৌজাৰ তামুলীবজাৰৰ চাংমাই গাঁৱত ১৯৭৬ চনত জন্মলাভ কৰা দেৱজিতৰ পিতৃ আৰু মাতৃ হ'ল ক্ৰমে গোপীনাথ চাংমাই আৰু হিৰণ্য চাংমাই। তেওঁ বেতবাৰীত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত উচ্চতৰ মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল। যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰপৰা পদাৰ্থবিজ্ঞানত সন্মানসহ উত্তীৰ্ণ হৈ তেওঁ ২০০০ চনত গুৱাহাটীলৈ আহিছিল। তেওঁ একে বছৰতে 'জ্যোতি চিত্ৰবন ফিল্ম এণ্ড টেলিভিছন ইনষ্টিটিউট'ৰপৰা ছাউণ্ড ইঞ্জিনিয়াৰিঙৰ (Sound Engineering) তিনি বছৰীয়া পাঠ্যক্ৰম সমাপ্ত কৰি ২০০৩ চনত মুম্বাইলৈ ঢাপলি মেলে আৰু কঠোৰ সাধনাৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰি অসমলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়।

## উৎপল বৰপূজাৰীৰ তথ্যচিত্ৰ একেলগে পাঁচখন আন্তৰ্জাতিক মহোৎসৱলৈ আমন্ত্ৰিত



বিশিষ্ট চলচ্চিত্ৰ সমালোচক, চিত্ৰ নিৰ্মাতা উৎপল বৰপূজাৰীৰ তথ্যচিত্ৰ 'ছংছ অৱ দ্য ব্লু হিলছ' (Songs of The Blue Hills)-এ বিশেষ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। নগা লোক-সংগীতক মূল বিষয় হিচাপে লৈ নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক সমালোচকজনৰ এই তথ্য চিত্ৰখন একেলগে পাঁচখন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ নিমন্ত্ৰিত হৈছে। ৯৬ মিনিট দৈৰ্ঘ্যৰ তথ্যচিত্ৰখনে নিমন্ত্ৰণ লাভ কৰা মহোৎসৱকেইখন হ'ল—ছুইজাৰলেণ্ডৰ ভু ৰীল চলচ্চিত্ৰ মহোৎসৱ, ছুইডেনৰ গুটেনবাৰ্গ ইণ্ডিপেণ্ডেণ্ট (Gutenberg Indipendent) চলচ্চিত্ৰ মহোৎসৱ আৰু নিউয়ৰ্কৰ ভাৰতীয় মহোৎসৱ। কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ চেণ্টাৰ ফৰ কালছাৰেল ৰিছাৰ্চ এণ্ড ট্ৰেইনিঙৰ (Centre for Cultural Research & Training) হৈ গিৰীশ যোশীয়ে প্ৰযোজনা কৰা তথ্যচিত্ৰখন গুটেনবাৰ্গ আৰু ৱাশ্বিংটনৰ তথ্যচিত্ৰ প্ৰতিযোগিতা শাখালৈও নিমন্ত্ৰিত হৈছে। নগা লোক-সংগীতৰ আবহমান কালৰপৰা বৰ্তমান সময়লৈকে

কেনেদৰে পৰিবৰ্তন হৈছে, সেই ধাৰাটো তথ্যচিত্ৰখনত দেখুৱাবলৈ চেষ্টা কৰিছে বৰপূজাৰীয়ে। তেওঁৰ আন এখন তথ্যচিত্ৰ হ'ল 'মায়ং ঃ মাইথ/ৰিয়েলিটি'। এই তথ্যচিত্ৰখন বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰদৰ্শিত হোৱাৰ লগতে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

## পৃথিৱীসদৃশ নতুন গ্ৰহ আৱিষ্কাৰ 'নাছা'ৰ



পৃথিৱীৰ পৰা প্ৰায় ৫০০ আলোকবৰ্ষ দূৰত্বত মাৰ্কিন মহাকাশ সংস্থা 'নাছা'ৰ (NASA) বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিছে পৃথিৱীসদৃশ এটা গ্ৰহ। পৃথিৱীৰ 'যমজ ভাতৃ' হিচাপে অভিহিত এই নতুন গ্ৰহটোৰ নাম ৰখা হৈছে 'কেপলাৰ ১৮৬ এফ'। এই শিলাময় গ্ৰহটোত পানীৰ অস্তিত্ব থকাৰো সম্ভাৱনা প্ৰকাশ কৰিছে নাছাৰ বিজ্ঞানীয়ে। 'কেপলাৰ ১৮৬ এফ' গ্ৰহটোৱে সূৰ্যৰপৰা পোহৰ লাভ কৰে পৃথিৱীৰ তুলনাত এক তৃতীয়াংশ। মানুহৰ বসতিৰ বাবে অনুকূল পৰিৱেশ থকা বুলি সম্ভাৱনা দাঙি ধৰিছে নাছাৰ বিজ্ঞানীৰ দলটোৱে। বিজ্ঞানীৰ দলটোৰ নেতৃত্বত থকা অন্যতম বিজ্ঞানী এলিছা কুইণ্টানাই প্ৰকাশ কৰে যে নতুন গ্ৰহটোৱে ১৩০ দিনৰ মূৰে মূৰে সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ সম্পূৰ্ণ কৰে। উল্লেখ্য যে কেপলাৰ টেলিস্কোপত ধৰা পৰা এই নতুন উপগ্ৰহটোৰ আৱিষ্কাৰৰ লগে লগে ২০০9 চনত স্থাপন কৰাৰে পৰা টেলিস্কোপটোৱে কমেও এহেজাৰ নতুন জগতৰ সন্ধান দিবলৈ সক্ষম হৈছে।

## মৰোণোত্তৰভাৱে মধুৰাম বড়োলৈ বাসুদেৱ জালান বঁটা

জনগোষ্ঠীয় সাহিত্যলৈ আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে বিশিষ্ট ভাষাবিদ, সাহিত্যিক-সাংবাদিক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক প্ৰয়াত মধুৰাম বড়োলৈ অসম সাহিত্য সভাই মৰোণোত্তৰভাৱে আগবঢ়াইছে বাসুদেৱ জালান বঁটা। শূন্যৰপৰা জীৱন আৰম্ভ কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰা প্ৰয়াত বড়ো অসমীয়া সাহিত্যৰো এগৰাকী একনিষ্ঠ সেৱক আছিল। ২৮ এপ্ৰিল তাৰিখে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়।

## 'বুঢ়ী আইৰ সাধু'ৰ ইংৰাজী সংস্কৰণ উন্মোচন

অকণিৰ প্ৰিয় বন্ধু 'অকণিৰ সাহিত্য সভা'ই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম মহোৎসৱত একত্ৰিছজন কিশোৰ-কিশোৰীয়ে অনুবাদ কৰা 'বুঢ়ী আইৰ সাধু'ৰ ইংৰাজী সংস্কৰণ উন্মোচন কৰে। যোৱা ১৩ এপ্ৰিল তাৰিখে তেজপুৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত এক সভাত গ্ৰন্থখন উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ইমৰাণ শ্বাহে। এই গ্ৰন্থখন সম্পাদনা কৰিছে আমেৰিকাৰ ইউনিভাৰছিটি অৱ ক'লৰাডো, নৰ্থ কেৰ'লিনা ষ্টেট ইউনিভাৰ্ছিটিৰ অধ্যাপিকা ড° নীলাক্ষী ফুকন নেওগ, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মণিকা শইকীয়া আৰু নগাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা অনন্যা হিলৈদাৰীয়ে। সংকলন কৰিছে তেজপুৰ অকণিৰ সাহিত্য সভাই। গ্ৰন্থখনৰ ভিতৰৰ ছবি আৰু বেটুপাত আঁকিছে শিশু আলোচনী সঁফুৰাৰ চিত্ৰকৰ অমল মেধিয়ে। আমাৰ বিদ্যালয়ৰ ইন্দ্ৰনুজ পাটোৱাৰীয়ে এটা সাধু অনুবাদ কৰি গৌৰৱ কঢ়িয়াই আনিছে।

## ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা : 'অজেয়'লৈ ৰজত কমল, অনুৰাগ শইকীয়া শ্ৰেষ্ঠ সংগীত পৰিচালক

যোৱা ১৬ এপ্ৰিল তাৰিখে ঘোষণা কৰা ৬১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ দুটাকৈ শিতানত অসমীয়া চলচ্চিত্ৰই বিশেষ সন্মান লাভেৰে অসমলৈ সুনাম কঢ়িয়াই আনে। বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা পৰিচালিত 'অজেয়'ই অসমীয়া চলচ্চিত্ৰ শিতানত শ্ৰেষ্ঠ ছবিৰ ৰজত কমল সন্মান লাভ কৰাৰ বিপৰীতে অ-কাহিনী চলচ্চিত্ৰ শিতানত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছে অসম সন্তান অনুৰাগ শইকীয়াই। আৰক্ষী বিষয়া ভাস্কৰজ্যোতি মহন্ত পৰিচালিত 'যুগস্ৰষ্টা' নামৰ তথ্যচিত্ৰখনৰ ভিন্নসুৰী সংগীতৰ বাবে শইকীয়াই এই